# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 08-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***<u>Headlines</u>***

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ আৰু মালদ্বীপৰ প্ৰতিৰক্ষা মন্ত্ৰী মহম্মদ ঘাছান মৌমুনে আজি নতুন দিল্লীত এখন বৈঠকত দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে।

২। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই আজি অসমৰ তেজপুৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত এটা অত্যাধুনিক পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে।

৩। এখন ৰাষ্ট্ৰ-এটা নিৰ্বাচনৰ সৈতে জড়িত দুখন বিধেয়ক সন্দৰ্ভত আজি নতুন দিল্লীত যুটীয়া সংসদীয় সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়।

৪। পশ্চিম চীনৰ তিববতত বিধবংসী ভূমিকম্পৰ পাছত হাজাৰ হাজাৰ উদ্ধাৰকাৰীয়ে আজি প্ৰচণ্ড শীতৰ মাজতো উদ্ধাৰ অভি্যান অব্যাহত ৰাখিছে। ***আৰু***

৫। ভাৰতৰ এইছ্ এছ প্ৰণয়ে কোৱালালামপুৰত অনুষ্ঠিত  মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ আৰু মালদ্বীপৰ প্ৰতিৰক্ষা মন্ত্ৰী মহম্মদ ঘাছান মৌমুনে আজি নতুন দিল্লীত এখন দ্বিপাক্ষিক বৈঠকত প্ৰশিক্ষণ, নিয়মীয়া সামৰিক অনুশীলন, প্ৰতিৰক্ষা প্ৰকল্পকে ধৰি দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে। বৈঠকত দুয়োপক্ষই ভাৰত -মালদ্বীপ ব্যাপক অৰ্থনীতি আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰিৰ যুটীয়া দৰ্শনৰ গুৰুত্বক অনুধাৱন কৰি একেলগে কাম কৰাৰ বাবে পুনৰ প্ৰতিশ্ৰুতিবদ্ধ হয়। প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে  কেন্দ্ৰীয় চৰকাৰৰ চুবুৰীয়া প্ৰথম নীতিৰ অংশ হিচাপে মালদ্বীপৰ  প্ৰতিৰক্ষা সামৰ্থ বৃদ্ধি কৰাৰ ক্ষেত্ৰত ভাৰতে সমৰ্থন আগবঢ়াই যাব বুলি আশ্বাস দিয়ে। একেদৰে ঘাছান মৌমুনে মালদ্বীপৰ ক্ষেত্ৰত ভাৰতে সদায়েই প্ৰথম সহাৰি প্ৰদান কৰি অহাৰ বাবে ভাৰত চৰকাৰৰ শলাগ লয়। তেওঁ লগতে ভাৰত চৰকাৰক মালদ্বীপৰ ৰাজধানী মালেত  প্ৰতিৰক্ষা আৰু নিৰাপত্তা বাহিনীৰ প্ৰশিক্ষণ আৰু অত্যাধুনিক আন্তঃগাথনিৰ ব্যৱস্থা কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে এই বৈঠক ফলপ্ৰসূ আছিল বুলি উল্লেখ কৰি কয়, যে এই আলোচনাই ভাৰত-মালদ্বীপৰ সম্পৰ্কত নতুন গতি প্ৰদান কৰিব। তেওঁ কয়, যে বৈঠকত প্ৰতিৰক্ষা সহযোগিতা সুদৃঢ় কৰি তোলাৰ ক্ষেত্ৰত ভালেমান বিষয়ত আলোচনা কৰা হয় যিসমূহে মালদ্বীপৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা বাহিনীৰ সামৰ্থ বৃদ্ধিত সহায় কৰিব। তিনি দিনীয়া ভ্ৰমণসূচীৰে  ভাৰতলৈ অহা মালদ্বীপৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই সময়ছোৱাও গোৱা আৰু মুম্বাই ভ্ৰমণ কৰিব। উল্লেখযোগ্য যে, ভাৰত আৰু মালদ্বীপৰ মাজত আধ্যাত্মিক ঐতিহাসিক,

ভাষিক আৰু জনগোষ্ঠীয় দিশত বিশেষ সম্পৰ্ক আছে। ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিত মালদ্বীপে বিশেষ স্থান দখল কৰিছে আৰু ইয়াৰ জৰিয়তে ভাৰত মহাসাগৰীয় খণ্ডত স্থিৰতা আৰু সমৃদ্ধি অনাৰ ক্ষেত্ৰত কাম কৰা হৈছে।

০০০

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগৎ প্ৰসাদ নাড্ডাই আজি অসমৰ তেজপুৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত নিৰ্মাণ কৰা এটা অত্যাধুনিক পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকী দুদিনীয়া ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হয়। প্ৰায় ১২ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা এই পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটোৱে ছাত্ৰ-ছাত্ৰী, চিকিৎসক আৰু ৰোগীসকলক অধিক সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ১৮৭৬ চনত তদানীন্তন ইংৰাজ চৰকাৰৰ দিনত পগলা ফাটেক নামেৰে পৰিচিত হোৱা এই মানসিক চিকিৎসালয়খন স্থাপন কৰা হৈছিল। ১৯৮৯ চনত এই প্ৰতিষ্ঠানখনক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান ৰূপে নামকৰণ কৰা হয় আৰু ইয়াক অত্যাধুনিক মানসিক চিকিৎসা প্ৰতিষ্ঠানলৈ উন্নীত কৰা হয়। বৰ্তমান এই প্ৰতিষ্ঠানখনত ৩৭৬ খন বিছনাৰ সুবিধাৰে অত্যাধুনিক মনোৰোগ চিকিৎসাৰ ব্যৱস্থা আছে। ইয়াৰ পাছত তেওঁ মঙলদৈত উপস্থিত হৈ মঙলদৈ অসামৰিক চিকিৎসালয়ত প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ২৩ কোটি ৭৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ক্ৰিটিকেল কেয়াৰ হাস্পতালখনৰ আধাৰশিলা স্থাপন কৰে। পাছত তেওঁ মঙলদৈ নগৰৰ সমীপৰ গেৰীমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যও পৰিদৰ্শন কৰে। কামৰূপ জিলাৰ চাংসাৰি অভিমুখে যাত্ৰা কৰাৰ পূৰ্বে শ্ৰীনাড্ডাই মঙলদৈৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেনযুক্ত বাইপাছৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয় আৰু ছিপাঝাৰ অসামৰিক চিকিৎসালয়খনো পৰিদৰ্শন কৰে। বিয়লিৰ ভাগত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে চাংসাৰিৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰতিষ্ঠানখনৰ সঞ্চালককে ধৰি উচ্চ পদস্থ বিষয়া আৰু চিকিৎসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীক আজিৰ আটাইকেইটা কাৰ্যসূচীতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী জ্যেষ্ঠ মন্ত্ৰীয়ে সংগ দিয়ে। উত্তৰ গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত এভুমুকি মৰাৰ পাছত তেওঁ আজিয়েই নতুন দিল্লীলৈ উভতি যোৱাৰ কথা আছে।

০০০

এখন ৰাষ্ট্ৰ এটা নিৰ্বাচনৰ সৈতে জড়িত দুখন বিধেয়ক সন্দৰ্ভত আজি নতুন দিল্লীত যুটীয়া সংসদীয় সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বিধেয়ক দুখন হৈছে-১২৯ সংখ্যক সংবিধান সংশোধনী বিধেয়ক ২০২৪ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৪। বৈঠকত আইন আৰু ন্যায় মন্ত্ৰালয়ৰ বিধায়িনী বিভাগৰ প্ৰতিনিধিসকলে সদস্যসকলে প্ৰস্তাৱিত বিধেয়ক দুখনৰ বিভিন্ন দিশসমূহৰ বিষয়ে অৱগত কৰে। বৈঠকৰ পূৰ্বে যুটীয়া সংসদীয় সমিতিৰ অধ্যক্ষ বিজেপিৰ সাংসদ পি পি চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে এই সমিতিয়ে আইন বিশেষজ্ঞ, ন্যায়পালিকা বা নাগৰিক সমাজৰ সদস্য, ৰাজনৈতিক দল নিৰ্বিশেষে সকলো অংশীদাৰৰ মতামত গ্ৰহণ কৰিব। এই সকলো সদস্যৰ মতামত লাভ কৰাৰ পাছতহে সমিতিয়ে পৰৱৰ্তী সিদ্ধান্তৰ বাবে আগবাঢ়িব বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ৩৯ জনীয়া এই যুটীয়া সংসদীয় সমিতিত লোকসভাৰ ২৭ জন সদস্য আৰু ৰাজ্যসভাৰ ১২ জন সদস্য আছে। সমিতিয়ে পৰৱৰ্তী সংসদৰ অধিবেশনৰ শেষৰটো সপ্তাহৰ প্ৰথম দিনটোত ইয়াৰ তথ্যসমূহ দাখিল কৰিব।

০০০

পশ্চিম চীনৰ তিববতত বিধবংসী ভূমিকম্পৰ পাছত হাজাৰ হাজাৰ উদ্ধাৰকাৰীয়ে আজি প্ৰচণ্ড শীতৰ মাজতো উদ্ধাৰ অভি্যান অব্যাহত ৰাখিছে। তিববতৰ চিগাটচে অঞ্চলত চলোৱা প্ৰাৰম্ভিক অনুসন্ধানত ভূমিকম্পত ৩ হাজাৰ ৬০৯ টা বাসগৃহ ধ্বংস হোৱাৰ তথ্য পোৱা গৈছে। এভাৰেষ্ট শৃংগৰ পৰা ৭৫ কিলোমিটাৰ উত্তৰত আৰু নেপাল সীমান্তৰ তীববতৰ আটাইতকৈ জনবহুল অঞ্চল টিংৰিত কালি পুৱা অনুভূত ৭ দশমিক ১ প্ৰাবল্যৰ বিধবংসী ভূমিকম্পত কমেও ১২৬ জন লোকে প্ৰাণ হেৰুৱায়। চীনৰ চৰকাৰে ভূমিকম্পৰ ফলত কিমান লোক নিৰুদ্দেশ হৈ আছে তাৰ সঠিক তথ্য এতিয়ালৈকে প্ৰকাশ কৰা নাই। টিংৰি অঞ্চলৰ জিৰো ডিগ্ৰী চেলছিয়াছৰো কম তাপমাত্ৰাত আজি পিপলছ্ লিবাৰেচন আৰ্মী আৰু অগ্নি নিৰ্বাপক বাহিনীৰ কেইবাহাজাৰো লোক উদ্ধাৰকাৰ্যত নিয়োজিত হৈ আছে বুলি চীনৰ চৰকাৰী টেলিভিছন চেনেল চি চি টি ভিয়ে প্ৰকাশ কৰিছে। অঞ্চলটোত কালিৰ সংহাৰী ভূমিকম্পৰ পাছৰ ২৪ ঘণ্টাত ৫১৫ টা সৰু সৰু ভূমিকম্পৰ জোকাৰণি অনুভূত হৈছে বুলি সংবাদ সংস্থাটোৱে প্ৰকাশ কৰিছে।

০০০

নতুন দিল্লীত আজি অনুষ্ঠিত হোৱা এইবছৰৰ এন চি চিৰ গণৰাজ্য দিৱসৰ শিবিৰত বায়ু সেনাৰ মুৰববী এয়াৰ ছীফ মাৰ্ছেল অমৰপ্ৰীত সিঙে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীসিঙে কয়, যে দেশখনক একত্ৰিত কৰাৰ ক্ষেত্ৰত এন চি চিয়ে প্ৰশংসনীয় কাম কৰি আছে। তেওঁ এন চি চিক দেশ গঠনৰ দিশত প্ৰশিক্ষণপ্ৰাপ্ত যুৱ মনৰ কেন্দ্ৰ আখ্যা দি সুখ প্ৰকাশ কৰে। শ্ৰীসিঙে যুৱ প্ৰজন্মক এন চি চিত অংশগ্ৰহণ কৰি দেশৰ উন্নয়নক আগবঢ়াই নিয়াৰ বাবে উৎসাহ যোগায়। এন চি চিয়ে নিস্বাৰ্থ সেৱা, দেশপ্ৰেম, নেতৃত্ব, অনুশাসন আদিৰ দক্ষতা প্ৰদানত সহায় কৰে বুলি উল্লেখ কৰি শ্ৰীসিঙে লগতে কয়, যে ভাৰতীয় বায়ু সেনাই প্ৰশিক্ষণ আৰু বিভিন্ন অনুষ্ঠানৰ জৰিয়তে এন চি চিক সকলো ধৰণৰ সহায় আগবঢ়াব।

০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰ্জিনিয়াৰ বিশেষ নিৰ্বাচনত ভাৰতীয় মূলৰ দুজন ব্যক্তি নিৰ্বাচিত হৈছে। ভাৰ্জিনিয়াৰ ছিনেটলৈ কান্নান শ্ৰীনিৱাসন নিৰ্বাচিত হোৱাৰ লগতে জে জে সিং হাউচ অৱ ডেলিগেটছলৈ নিৰ্বাচিত হৈছে। শ্ৰীনিৱাসন ইয়াৰ পূৰ্বে ২০২৩ চনত ভাৰ্জিনিয়া হাউচলৈ নিৰ্বাচিত হৈছিল। ইয়াৰ বিপৰীতে জে জে সিঙে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামাৰ অধীনত হোৱাইট হাউচত ব্যৱস্থাপনা আৰু বাজেট বিভাগত কৰ্মৰত আছিল। উল্লেখযোগ্য যে, যোৱা বছৰৰ ৫ নৱেম্বৰত ভাৰ্জিনিয়াত সাধাৰণ নিৰ্বাচন অনষ্ঠিত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ শেহতীয়া ৰাষ্ট্ৰপতি নিৰ্বাচনত ডোনাল্ড ট্ৰাম্পে জয়লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই বিশেষ নিৰ্বাচনত ডেমোক্ৰেটছ দলে এই দুখন গুৰুত্বপূৰ্ণ আসন লাভ কৰিবলৈ সমৰ্থ হয়।

০০০

ইউক্ৰেইনৰ সামৰিক বাহিনীয়ে ৰাচিয়াৰ চাৰাতোফ অঞ্চলত গণড্ৰোন আক্ৰমণ চলাই এটা শিল্প উদ্যোগৰ ক্ষতিসাধন কৰে। ইউক্ৰেইনৰ সেনা বাহিনীৰ জেনেৰেল ষ্টাফে জনোৱা অনুসৰি বিমানঘাটিলৈ ইন্ধনৰ যোগান ধৰা এঞ্জেলছ্ৰ এটা ৰাছিয়ান তেল ডিপোত ইউক্ৰেইন বাহিনীয়ে আক্ৰমণ কৰে। চাৰাতোফৰ গৱৰ্ণৰ ৰোমান বুছাৰ্গিনে কয়, যে ইউক্ৰেইনৰ এই আক্ৰমণৰ লক্ষ্য হৈছে ৰাচিয়াৰ বোমাৰু বিমান ঘাটি থকা চুবুৰীয়া চাৰাতোফ আৰু

এঞ্জেলছ্ চহৰ। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি চাৰাতোফ অঞ্চলত এঘাৰখন ইউক্ৰেইনৰ ড্ৰোন ধ্বংস কৰা হয়। কুৰ্ছক, ৰষ্টফ, বেলগৰথ, ক্ৰাছনুদয়, ভলগো গ্ৰেড আৰু আজভসাগৰৰ ওপৰত মুঠ ২১ খন ইউক্ৰেইনৰ ড্ৰোন ধ্বংস কৰা বুলিও মন্ত্ৰালয়ে দাবী জনায়। ইফালে ইউক্ৰেইনৰ সেনা বাহিনীয়ে আজি কয়, যে মধ্য ইউক্ৰেইনক লক্ষ্য কৰি নিশাটোৰ ভিতৰতে ৰাছিয়াই ৬৪ খন ড্ৰোনেৰে আক্ৰমণ কৰে।

০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত মহাকুম্ভ ২০২৫ উপলক্ষে আকাশবাণী আৰু দূৰদৰ্শনৰ বিশেষ গীত মুকলি কৰে। অনুষ্ঠানৰ প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ ছেগল, প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদী, দূৰদৰ্শনৰ সঞ্চালক প্ৰধান কাঞ্চন প্ৰসাদ, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌৰ উপস্থিত থাকে। অহা ১৩ জানুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ প্ৰয়াগৰাজত মহাকুম্ভ অনুষ্ঠিত হ'ব।

০০০

ভাৰতৰ এইছ্ এছ্ প্ৰণয়ে কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি এখন বৰ্ষাবিঘ্নিত খেলত কানাডাৰ ব্ৰায়ন য়াঙক ২১-১২, ১৭-২১, ২১-১৫ গেমত পৰাস্ত কৰে। প্ৰণয়ে কাইলৈ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ শ্বি ফেং লীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মহিলাৰ ছিংগলছত মালবিকা বানচোৰে মালয়েছিয়াৰ জিন ৱেই গোক ২১-১৫, ২১-১৬ পোনপটীয়া ছেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ইফালে মিক্সড ডাবলছত ধ্ৰুৱ কপিলা আৰু তানিশা ক্ৰাষ্টোৰ যুটীয়ে আজি পুৰা দক্ষিণ কোৰিয়াৰ যুটীক পৰাস্ত কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০

সমাপ্ত